بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ নৱেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ জীৱনীৰ প্ৰেক্ষাপটত যুদ্ধসমূহৰ কথা বিগত খোতবাত উল্লেখ কৰা হৈছিল, তবুকৰ যুদ্ধৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা হৈ আছিল, ইয়াৰ বিস্তৃত বিৱৰণ এনেদৰে যে সেই সময়ত এগৰাকী মহিলাই বৰ নিষ্ঠাৰ সৈতে উৎসাহ প্ৰকাশ কৰিছিল। সেয়া উল্লেখ কৰি হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছিল যে সেনাবিলাক ছিৰিয়াৰ ফালে যাত্ৰা কৰিবলগীয়া আছিল, মুতাৰ যুদ্ধৰ দৃশ্য মুছলমান সকলৰ চকুৰ সন্মুখতে আছিল, সেই কাৰণে মুছলমান সকলৰ হৃদয়ে ৰছুলে কৰিম (ছাঃ)ৰ প্ৰাণৰ সুৰক্ষাৰ চিন্তাত আন সকলো চিন্তাতকৈ অগ্ৰাধিকাৰ দিছিল, আনকি মহিলাসকলেও এই বিপদ অনুভৱ কৰি নিজৰ স্বামী আৰু সন্তানকো যুদ্ধক্ষেত্ৰলৈ যাবলৈ উৎসাহিত কৰিছিল।

এই আন্তৰিকতা আৰু উৎসাহৰ লেখ-জোখ বুজিবলৈ এটা দৃষ্টান্তই যথেষ্ট যে এজন চাহাবা (ৰাঃ) কোনো কাৰণে বাহিৰলৈ গৈ থাকোতে ৰছুলুল্লাহ (ছাঃ)য়ে সেনাসকলৰ সৈতে যাত্ৰা আৰম্ভ কৰিছে বুলি শুনি উভতি আহিল। দীঘলীয়া বিচ্ছেদৰ অন্তত যেতিয়া তেওঁ পত্নীক চাবলৈ সুখী হোৱাৰ মনোভাৱেৰে নিজৰ ঘৰত সোমাইছিল, তেওঁৰ পত্নীক চোতালত বহি থকা দেখি তাইৰ লগত প্ৰেম কৰিবলৈ আগবাঢ়ি গৈছিল। যেতিয়া তেওঁ নিজৰ পত্নীৰ কাষ চাপিছিল তেতিয়া তেওঁৰ পত্নীয়ে দুয়ো হাতেৰে তেওঁক ধাক্কা মাৰি পিছলৈ ঠেলি দি কৈছিল যে তুমি লাজ নকৰানে যে খোদাৰ ৰছুল (ছাঃ) সেই

বিপদজনক ঠাইলৈ গৈ আছে আৰু তুমি নিজৰ পত্নীৰ সৈতে প্ৰেম কৰিবলৈ সাহস কৰিছে ? প্ৰথমে গৈ নিজৰ দায়িত্ব পালন কৰা, তাৰ পিছত এইবোৰ দেখা যাব। সেই চাহাবা (ৰাঃ)য়ে তৎক্ষণাত নিজৰ ঘৰৰ পৰা ওলাই আহি নিজৰ আৰোহীৰ লাগাম টানকৈ ধৰি ৰছুলে কৰিম (ছাঃ)ক তিনি মহলীয়া ঠাইত গৈ সাক্ষাৎ কৰিছিল, ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ আন আন চাহাবাসকলৰ সৈতে যেতিয়া মদিনালৈ উভতি আহিছিল, তেতিয়া তেওঁও নিজৰ ঘৰলৈ উভতি আহিছিল। অৰ্থাৎ এই লোকসকল প্ৰত্যেক বিপদৰ সময়ত নিজৰ প্ৰাণ কুণ্ঠাবোধ নকৰাকৈ আৰু কোনো দুখ-কষ্ট নকৰাকৈ বিপদৰ ফালে ঠেলি দিছিল; তেওঁলোকে দুখ আৰু কষ্টক অনুভৱ কৰাই নাছিল; বৰঞ্চ যেতিয়াই সেৱা কৰাৰ সুযোগ পাইছিল তেতিয়াই তেওঁলোকে নিজৰ জীৱনটো স্বেচ্ছামূলকভাৱে আগবঢ়াই দিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ বিস্তৃত বিৱৰণ এইদৰে লিখা আছে যে ১৫ বা ১৯ ঠাইত শিৱিৰ পাতি তেখেত (ছাঃ)য়ে চাহাবা সকলৰ সৈতে তবুকত গৈ পাইছিল। এই যাত্ৰাত তবুকৰ যি ঠাইত শিৱিৰ পাতিছিল ইয়াৰ পৃথকভাৱে বিস্তৃত বিৱৰণ পোৱা নাযায়। পিছত সেই ঠাই সমূহত মছজিদ নিৰ্মাণ কৰা হৈছিল আৰু সেই ঠাইবোৰৰ নামেৰে মছজিদৰ নাম ৰখা হৈছিল। ইতিহাদবিদ সকলে এই তথ্যৰ পৰা অনুমান কৰে যে হুজুৰ (ছাঃ)য়ে এই স্থানসমূহতেই অৱস্থান কৰিছিল।

এটা বৰ্ণনাত পোৱা যায় যে হজৰত আকবা বিন আমিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আমি তবুকৰ যুদ্ধত ৰছুলে কৰিম (ছাঃ)ৰ সৈতে যাত্ৰা কৰিছিলোঁ, তেখেত (ছাঃ) য়ে এটা ৰাতি ইমানে টোপনি মাৰিছিল যে সূৰ্য এটা বল্লমৰ সমান ওখ হৈ উদয় হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে সাৰ পাইছিল। তেখেত (ছাঃ)য়ে কৈছিল যে হে বিলাল ! মই তোমাক কোৱা নাছিলোনে যে আমাৰ বাবে ফজৰলৈকে সাৰ পাই থাকিবা ? হজৰত বিলাল (ৰাঃ)য়ে কৈছিল যে হে আল্লাহৰ ৰছুল ! আপোনাৰ দৰেই মোৰ টোপনি লাগিছিল। বৰ্ণনাকাৰীয়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে সেনাসকলক যাত্ৰাৰ বাবে আদেশ দিছিল, তাৰ পিছত কিছু বাট অতিক্ৰম কৰাৰ পিছত আৰোহীৰ পৰা নামি ছুন্নত নামাজ আদায় কৰি চাহাবাসকলক নামাজ পঢ়াইছিল, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে গোটেই দিন আৰু ৰাতি যাত্ৰা কৰিছিল, ইমানেই যে আগদিনা পুৱাতে তবুক গৈ পাইছিল।

তবুক গৈ তেখেত (ছাঃ)য়ে আল্লাহ তা'লাৰ প্ৰশংসা কৰি চাহাবাসকলক সম্বোধিত কৰিছিল আৰু সংক্ষিপ্ত ভাষণ প্ৰদান কৰি দোৱা কৰিছিল যে হে আল্লাহ ! মোক আৰু মোৰ উম্মতক ক্ষমা কৰা। হে আল্লাহ ! মোক আৰু মোৰ উম্মতক ক্ষমা কৰা। হে আল্লাহ ! মোক আৰু মোৰ উম্মতক ক্ষমা কৰা। তেখেত (ছাঃ)য়ে তিনিবাৰ দোৱাটো পুনৰাবৃত্তি কৰি কৈছিল যে মই আল্লাহৰ পৰা মোৰ আৰু তোমালোকৰ বাবে ক্ষমা বিচাৰো।

সেই সময়ত হিৰকালক ইছলামৰ পয়গামৰ বাবে চিঠিৰ উল্লেখও পোৱা যায়। যেতিয়া হিৰাকলক চিঠিখন দিয়া হৈছিল তেতিয়া তেওঁ চিঠিখন পঢ়ি কৈছিল যে তুমি তোমাৰ নবীৰ ওচৰলৈ গৈ কোৱা যে মই তেখেতৰ আনুগত্য স্বীকাৰ কৰো; কিন্তু মই মোৰ শাসন এৰিব নোৱাৰো। তেওঁ কিছু দিনাৰ তেখেত (ছাঃ)ৰ বাবে পঠিয়ালে। তেখেত (ছাঃ)ক তেওঁৰ বিষয়ে কোৱা হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল, এইটো তেওঁ মিছা কৈছে, আৰু দিনাৰবোৰ মানুহৰ মাজত বিতৰণ কৰি দিছিল।

ইতিহাসত ইলাহৰ বাসিন্দাৰ শান্তি স্থাপনৰ কথা উল্লেখ আছে। তবুকত অৱস্থান কৰা সময়ত

ইলাহৰ ৰজা, তেওঁৰ লগতে চিৰিয়াৰ বাসিন্দা, ইয়ামনৰ বাসিন্দা, বাহাৰৰ বাসিন্দা, জাৰবাৰ বাসিন্দা আৰু আজৰুহৰ বাসিন্দাও আহিছিল, তেওঁলোকেও শান্তিৰ আবেদন জনাইছিল। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকৰ বাবে এটা শান্তিৰ চুক্তি লিখিছিল। ইয়াৰ পিছত মাকনাৰ ইহুদীসকলৰ সৈতে শান্তিৰ চুক্তি হৈছিল, ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোককও শান্তিৰ চুক্তি লিখি দিছিল।

তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত উকেইদৰ বিন আব্দুল মালিকৰ ফালে হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ এটা অভিযানৰ উল্লেখ পোৱা যায়। তবুকৰ পৰা ৪০০ কিঃমিঃ দূৰত্বত এই দুৰ্গটো অৱস্থিত আছিল। উকেইদৰ বনু কিনদাৰ অন্তৰ্ভুক্ত আছিল, তেওঁলোকৰ ৰজা আছিল খ্ৰীষ্টান। ৰছুলে কৰিম (ছাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক কৈছিল যে তুমি তেওঁক ৰাতি দেখিবলৈ পাবা যেতিয়া তেওঁ গায় চিকাৰ কৰি থাকিব, তেতিয়া তুমি তেওঁক বন্দী কৰিবা। আকৌ কৈছিল যে আল্লাহ তোমালোকৰ জৰিয়তে ডোমা বিজয় কৰিব, যেতিয়া তোমালোকে ইয়াৰ ওপৰত বিজয় লাভ কৰিবা তেতিয়া তেওঁক হত্যা নকৰি মোৰ ওচৰত লৈ আহিবা। যদি তেওঁ আহিবলৈ অস্বীকাৰ কৰে বা বিবাদ কৰে তেতিয়া তেওঁক হত্যা কৰি পেলাবা। অৰ্থাৎ এনেকুৱা ঘটনাই সংঘটিত হৈছিল।

তবুকৰ যুদ্ধৰ সময়ত এজন চাহাবা হজৰত আব্দুল্লাহ জুল বুজাৰ দ্বীন মুজনী (ৰাঃ)ৰ মৃত্যু আৰু দফন কৰাৰ উল্লেখ পোৱা যায়। তেওঁক দেখা পাই কিছুমান চাহাবাসকলে ইচ্ছা প্ৰকাশ কৰিছিল যে সম্ভৱত ! এই দফন হোৱা সকলৰ ঠাইত তেওঁলোক নিজেই হ'লহেঁতেন। এইদৰে এই যাত্ৰাত হজৰত মুৱাবিয়াহ বিন মুৱাবিয়াহ মুজনী (ৰাঃ)ৰ নামাজে জানাজাৰ ঘটনা উল্লেখ পোৱা যায়।

হজৰত আনছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে তবুকত অৱস্থান কৰা সময়ত জিব্ৰাইল আহি কৈছিল যে হে আল্লাহৰ ৰছুল ! মুৱাবিয়াহ মুজনী মদিনাত মৃত্যুবৰণ কৰিছে, তেওঁৰ নামাজে জানাজা পঢ়াওক। ইয়াৰ পিছত দিব্যদৰ্শনৰ যোগেদি সেই বিছনা য'ত তেওঁৰ জানাজা ৰখা আছিল বতাহত ওখ হৈ হুজুৰ (ছাঃ)ৰ চকুৰ সন্মুখত আহিছিল, তেখেত (ছাঃ)য়ে তেওঁৰ নামাজে জানাজা আদায় কৰিছিল, তেখেত (ছাঃ)ৰ লগতে ফিৰিস্তাই শাৰী পাতি আছিল। হুজুৰ (ছাঃ)য়ে হজৰত জিব্ৰাইল (আঃ)ক কৈছিল যে এই বিশেষ মৰ্যাদা কেনেকৈ লাভ কৰিলে ? জিব্ৰাইল (আঃ)য়ে কৈছিল যে **কুল হুৱা আল্লাহু আহাদ**ৰ সৈতে ভালপোৱাৰ কাৰণে, তেওঁৰ উঠা-বহা, আৰোহণ-খোজ-কঢ়া সকলো অৱস্থাতে সেইটো পাঠ কৰি থাকিছিল।

এয়াও উল্লেখ পোৱা যায় যে তবুকত উপস্থিত হোৱাৰ পিছত অধিক অগ্ৰগতিৰ বাবে আঁহজৰত (ছাঃ)য়ে চাহাবা সকলৰ পৰা পৰমাৰ্শ বিচাৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে হে আল্লাহৰ ৰছুল ! ৰোমান সকলৰ ওচৰত বহু সেনাবাহিনী আছে, তাৰ মাজত মুছলমানৰ কোনেও নাই, আমি তেওঁলোকৰ ওচৰ চাপি আহিছো, তেখেত (ছাঃ)য়ে ওচৰ চাপি অহাতেই তেওঁলোকে ভয় খাইছিল। এই বছৰ আমি উভতি যাম, যেতিয়ালৈকে কোনো সিদ্ধান্ত নহয় বা আল্লাহ তা'লাই কোনো বাট উলিয়াই নিদিয়ে; এই কথা শুনি ৰছুলে কৰিম (ছাঃ)য়ে তবুকত ২০ দিন অৱস্থান কৰাৰ পিছত উভতি যোৱাৰ সিদ্ধান্ত লৈছিল আৰু পৰস্পৰৰ মাজত হোৱা আলোচনা অনুসৰি ২০ দিনতকৈ কম দিন তবুকত অৱস্থান কৰিছিল। মদিনাৰ পৰা যাত্ৰা আৰু উভতি অহাকে ধৰি দুমাহতকৈ অধিক সময় লাগিছিল। হুজুৰ আনোৱাৰ (আইঃ)কয় যে তেখেত (ছাঃ)ৰ মদিনালৈ উভতি অহাৰ বিস্তৃত বিৱৰণ

ইনশ্বা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, মই আগতেও বাংলাদেশৰ বাবে দোৱাৰ বাবে কৈছিলো। তাত আহমদীয়তৰ বিৰোধীসকলে অত্যান্ত হুলস্থুল সৃষ্টি কৰি আছে। আল্লাহ তা'লা সকলো আহমদীক সুৰক্ষিত ৰাখক আৰু তেওঁলোকৰ কু-পৰিকল্পনাৰ বেয়াৰ পৰা ৰক্ষা কৰক।

এইদৰে পাকিস্তানৰ আহমদী সকলৰ বাবেও দোৱা কৰিব, আল্লাহ তা'লা তেওঁলোককও সুৰক্ষিত ৰাখক। এতিয়া বহু দোৱাৰ প্ৰয়োজন আছে। এইদৰে পশ্চিম আৰু মধ্যপ্ৰাচ্যৰ দেশৰ বাবেও দোৱা কৰিব। চুক্তি আৰু যুদ্ধবিৰতিৰ পিছতো একেদৰে হত্যা হৈ আছে। আল্লাহ তা'লা দয়া কৰক। এইদৰে আফ্ৰিকাৰ আহমদীসকলৰ বাবেও দোৱা কৰিব। তাতেও কিছুমান ঠাইত চৰকাৰেও আহমদীসকলৰ ওপৰত অত্যাচাৰ কৰি আছে, উগ্ৰপন্থীয়ে বিভিন্ন ঠাইত আক্ৰমণ চলাই আছে, কেতিয়াবা ইয়াৰ দ্বাৰা আহমদীসকলেও প্ৰভাৱিত হয়। আল্লাহ তা'লা সমগ্ৰ দেশতে শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰক। আমীন-

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মহম্মদ ইছমাইল চাহাবৰ পুত্ৰ মহম্মদ হুছেইন চাহাব ৰাবৱাৰ সদগতি উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াতজনৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 14 NOV 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB